PUBLIC MEETING REGARDING GOLDEN JUBILEE CELEBRATION HELD ON 22/03/2025








## গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন উপলক্ষে ৰাজহুৱা সভা

# ৫০ বছৰৰ বাবে ৰূপৰেখা প্ৰস্তুতৰ আহ্বান

মহানগৰ বাতৰি সেৱা

**গুৱাহাটী, ২২ মাৰ্চ ঃ** গীতানগৰ মহাবিদ্যালয় (পূৰ্বৰ কন্যা মহাবিদ্যালয়)ৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন সন্দৰ্ভত আলোচনা কৰিবলৈ আজি ডঃ ৰীণাৰাণী বৰদলৈ সোঁৱৰণী সভাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। গীতানগৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডঃ হোমেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণী ভাষণ দি ২০২৬ বৰ্ষৰ ১৬ ছেপ্টেম্বৰত সোণালী জয়ন্তীৰ দিৱস উদ্‌যাপনৰ ক্ষেত্ৰত ৰাইজৰ পৰামৰ্শ বিচাৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবলৈ অনুৰোধ জনায় মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সত্যজিৎ কলিতাই। সভাত বিশিষ্ট অতিথি হিচাপে আসন গ্ৰহণ কৰি 'দৈনিক অসম' কাকতৰ সম্পাদক হিতেশ ডেকাই কয়, 'ঐতিহ্যমণ্ডিত কন্যা মহাবিদ্যালয় (বৰ্তমানৰ গীতানগৰ মহাবিদ্যালয়)-এ ২০২৬ বৰ্ষৰ ১৬ ছেপ্টেম্বৰত সোণালী জয়ন্তী বৰ্ষত ভৰি দিব। গতিকে মহাবিদ্যালয়খনৰ যিটো হাবিয়াস, উৎসাহ, যিটো আৱেগ, তাৰ প্ৰতি ৰাইজে সন্মান জনোৱাত নিশ্চয় কাৰো আপত্তি নাই। অকল স্মৃতি ৰোমন্থন কৰিবলৈহে সোণালী জয়ন্তী পালন কৰিম, সেইটোত মই একমত নহয়। হয়, মহাবিদ্যালয়খনৰ দীঘলীয়া আৰু কণ্টকময় যাত্ৰা আছিল, সেই বিষয়ে স্মৃতি ৰোমন্থন হ'ব। কিন্তু অনুষ্ঠানটোৰ ৫০টা বছৰৰ অভিজ্ঞতাৰ ভিত্তিত অহা ৫০টা বছৰৰ বাবে আমি এটা ৰূপৰেখা প্ৰস্তুত কৰি ল'ব পাৰিব লাগিব। সেইটোহে আচলতে অনুষ্ঠানটোৰ মূল দৰ্শন হ'ব লাগে। অহা ৫০ বছৰত গীতানগৰ মহাবিদ্যালয় ক'লৈ যাব, তাৰ আধাৰশিলা বা ভেটি এই অনুষ্ঠানতে ঠিক কৰি ল'ব লাগিব। নহ'লে এই সোণালী জয়ন্তী এটা গতানুগতিক সীমাৰ ভিতৰতে আবদ্ধ হৈ ৰ'ব। গতিকে যিসকলে এই অনুষ্ঠানৰ দায়িত্ব ল'ব, তেওঁলোকক মই এই বছৰজোৰা কাৰ্যসূচীৰ মাজতে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সৈতে লগ লাগি অহা ৫০ বছৰৰ বাবে এক ৰূপৰেখা ঠিক কৰি ল'বলৈ আহ্বান জনাইছোঁ।' গুপ্তজিৎ পাঠকে আঁতধৰা অনুষ্ঠানটোত উপস্থিত বিশিষ্ট ব্যক্তিসকলে বছৰজোৰা বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠানটো উদ্‌যাপন কৰিবলৈ সন্মতি প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত থাকি পৰামৰ্শ আগবঢ়ায় বিশিষ্ট শিক্ষাবিদ ডঃ গংগাপদ চৌধুৰী, ভূতপূৰ্ব ৰাজ্যিক মহিলা আয়োগৰ সভাপতি মৃদুলা চহৰীয়া, বিশিষ্ট শিক্ষাবিদ নীলিমা ভাগৱতী, ডঃ অপৰ্ণা বুজৰবৰুৱা, ডঃ সুশীল শৰ্মা, বিশিষ্ট নাট্যকাৰ নৰেন পাটগিৰি, পাৰিষদদ্বয় ক্ৰমে স্বপ্না দেৱী শৰ্মা আৰু শশাংকজ্যোতি ডেকা, বিশিষ্ট সমাজকৰ্মী প্ৰভাত বৰ্মণ, প্ৰদীপ কুমাৰ গোস্বামী, অনন্ত কুমাৰ ডেকা, চিন্ময়জ্যোতি ডেকা, ৰমেন্দ্ৰ কুমাৰ চমুৱা, ৰাজীৱ কলিতা, জু নাৰেংগী ছাত্ৰ সন্থাৰ উপদেষ্টা জিতুমণি ডেকাকে প্ৰমুখ্য কৰি বহুতো গণ্য-মান্য ব্যক্তিয়ে। বিনীতা গগৈয়ে সভাৰ শেষত শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ শিক্ষক গোটৰপৰা ডঃ নমিতা বৰ্মনে সোণালী জয়ন্তী উদ্‌যাপন সম্পৰ্কে বক্তব্য আগবঢ়োৱাৰ লগতে ছাত্ৰ একতা সভাৰ হৈ সভাপতি নিশামণি ডেকাই বক্তব্য আগবঢ়ায়। শেষত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ বাবে এখন শক্তিশালী সমিতি গঠন কৰাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সত্যজিৎ কলিতাৰ লগতে শশাংকজ্যোতি ডেকা, স্বপ্না দেৱী শৰ্মা আৰু প্ৰদীপ কুমাৰ গোস্বামীক লৈ এখন আহ্বায়ক সমিতি গঠন কৰা হয়।

Published in 'Dainik Axom' on 23rd March,2025

